# ৰঙিয়া মহাবিদ্যালয়ত বাংলাদেশৰ অৰ্থনীতিবিদ মহম্মদ ইউনুছ

# ভুল অৰ্থনীতিৰ বাবেই বিশ্বৰ ৯৫% সম্পদ মুষ্টিমেয় লোকৰ হাতত কুক্ষিগত হৈছে

**প্ৰতিদিন বিশেষ সেৱা, ৰঙিয়া, ২৮ ফেব্ৰুৱাৰী ঃ** 'প্ৰচলিত ধ্যান-ধাৰণাৰ বিপৰীতে সকলো কথা ওলোটাকৈ চিন্তা কৰিব নোৱাৰিলে পৃথিৱীখন অৰ্থাৎ জীৱকুলক বচাই ৰখা সম্ভৱ নহ'বগৈ। একমাত্ৰ নতুন চিন্তা আৰু কল্পনা শক্তিয়েহে আমাক আমাৰ আকাংক্ষিত পৃথিৱীখন পোৱাত সহায় কৰিব। বাংলাদেশত আমি যেতিয়া গ্ৰামীণ বেংক আৰম্ভ কৰিছিলো, তেতিয়া বেছিভাগ বেংকাৰ, আঁচনি পৰিকল্পনাকাৰীসকলে এয়া অসম্ভৱ আৰু অবাস্তৱ বুলি বিদ্ৰূপ কৰিছিল। কিন্তু ৫০ বছৰ আগতেই আমি গ্ৰহণ কৰা ভুল পথটোৱেই এতিয়া শুদ্ধ বুলি প্ৰতিপন্ন হৈছে। এতিয়া বাংলাদেশৰ ৮৫ হেজাৰ গাঁৱত গ্ৰামীণ বেংকৰ শাখা আছে আৰু দোপতদোপে উন্নতি কৰি বাংলাদেশৰ অৰ্থনৈতিক দৃশ্যপটেই সলনি কৰি দিছে।'— এই মন্তব্য ২০০৬ চনৰ শান্তিৰ নোবেল বঁটা বিজয়ী তথা বাংলাদেশৰ বিশিষ্ট অৰ্থনীতিবিদ, সমাজ সংস্কাৰক মহম্মদ ইউনুছৰ। আজি ৰঙিয়া মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ খেলপথাৰত আয়োজন কৰা উদ্বোধনী অনুষ্ঠানত ভাষণ দি তেওঁ এইদৰে কয়। আমাৰ অগ্ৰজ চিন্তাবিদ, আঁচনি প্ৰস্তুতকৰ্তাসকলে পৃথিৱীখনক ■ ১২ পৃষ্ঠাত



# ভুল অৰ্থনীতিৰ বাবেই বিশ্বৰ ৯৫% সম্পদ

ভুলপথে পৰিচালনা কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে আমাৰ সন্মুখত যিখন পৃথিবী দেখিছো, সেইখন আমাৰ আকাংক্ষিত পৃথিবী নহয়। আমি আমাৰ ধৰণে পৃথিবী গঢ়িব লাগিব। তাৰ বাবে আমাৰ হাতত অধিক সময় নাই। আমাৰ হাতত থকা কিঞ্চিৎ সময়ৰ সদ্ব্যৱহাৰ কৰি সঠিক পথৰ সন্ধান কৰিব পাৰিবই লাগিব। সেই পথৰ সন্ধান দিব পাৰিব আজিৰ নতুন প্ৰজন্মৰ প্ৰতিনিধিসকলে। কাৰণ তেওঁলোকৰ হাততে আছে প্ৰচুৰ সম্ভাৱনা, সীমাহীন উদ্ভাৱনী শক্তি, মনোবল আৰু দক্ষতা। ৰঙিয়া মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° লীনা বৰদলৈয়ে আঁত ধৰা মনোজ্ঞ অনুষ্ঠানটোত নিজৰ চিন্তাগধুৰ আৰু প্ৰভাৱশালী ভাষণেৰে চাৰি সহস্ৰাধিক শ্ৰোতাক প্ৰায় ডেৰ ঘণ্টা সময় ধৰি মন্ত্ৰমুগ্ধ কৰি ৰখা মহম্মদ ইউনুছে তেওঁৰ শিক্ষক জীৱনৰ বিষয়ে উল্লেখ কৰি বাংলাদেশৰ চিতাগং আৰু আমেৰিকাৰ মিডল টেনেছী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰা সময়ছোৱা তেওঁৰ বাবে অত্যন্ত হতাশজনক আছিল বুলি উল্লেখ কৰে। তেওঁ কয় যে বিশ্ববিদ্যালয়ৰ ভিতৰৰ জ্ঞান, চিন্তা-চৰ্চাখিনিক বাহিৰলৈ অৰ্থাৎ জনগণৰ ওচৰলৈ লৈ যোৱাৰ চেষ্টা কৰা হৈছিল যদিও সেয়া বাতুলামি বুলি উৰুৱাই দিয়া হ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক হেমন্ত কুমাৰ নাথ, মহম্মদ ইউনুছৰ ভাতৃ তথা বাংলাদেশৰ অধ্যাপক মহম্মদ ইব্ৰাহিম, ৰঙিয়াৰ মহকুমাধিপতি দ্বীপন বৰ্মন, ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ শইকীয়াও উপস্থিত থকা উক্ত অনুষ্ঠানত ইউনুছে বিশ্ববিদ্যালয়ৰ পৰম্পৰাগত আৰু জনসম্পৰ্কহীন শিক্ষা ব্যৱস্থাৰ ওপৰত অসন্তুষ্টি প্ৰকাশ কৰি কয় যে সমগ্ৰ বিশ্বজুৰি যি ক্ষতিকাৰক কাম হৈ আছে, সেয়া কোনো চৰকাৰ বা আল্লা বা ঈশ্বৰে কৰা নাই। সেয়া আমিয়েই বিশ্ববিদ্যালয়ত বহি বহিয়েই কৰিছো। যাৰ কুফল আজি ভুগিবলগীয়া হৈছে। ভুল বেংক নীতি, অৰ্থনীতিৰ বাবেই আজি সমগ্ৰ বিশ্বজুৰি ৯৫% সম্পদ কেইজনমান মুষ্টিমেয় মানুহৰ হাতত কুক্ষিগত হৈছে। এই অৰ্থনৈতিক বৈষম্য ধ্বংস কৰিবলৈ হ'লে গ্ৰামীণ বেংকৰ দৰে অভিনৱ চিন্তা কৰা দৰকাৰ। ৰঙিয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা প্ৰাক্তন অধ্যক্ষ ভবেন্দ্ৰনাথ ডেকাই অনুষ্ঠানত আদৰণী ভাষণ পাঠ কৰে। আজিৰ অনুষ্ঠানত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিহুনাচ, বাগৰুম্বা নৃত্য আদিও পৰিবেশন কৰে।